নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মোক ক 'লেঃ "তুমি মোক কোৰআন তিলাৱত কৰি শুনোৱা।

আব্দুল্লাহ বিন মাছউদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত , তেওঁ কৈছেঃ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মোক ক 'লেঃ "তুমি মোক কোৰআন তিলাৱত কৰি শুনোৱা। " মই ক'লোঁ ◌ঃ হে আল্লাহৰ ৰাছুল ! মই আপোনাক তিলাৱত কৰি শুনাম? অথচ আপোনাৰ ওপৰতে অৱতীৰ্ণ হৈছে। তেখেতে ক 'লেঃ "হয়।" তেতিয়া মই ছুৰা নিছা তিলাৱত কৰা আৰম্ভ কৰিলোঁ। অৱশেষত যেতিয়া এই আয়াত আহি পালোঁ, {فَكَيْفَ إِذَا جِئْنَا مِنْ كُلِّ أُمَّةٍ بِشَهِيدٍ، وَجِئْنَا بِكَ عَلَى هَؤُلَاءِ شَهِيدًا}[النساء: 41] তেখেতে ক'লেঃ "হ'ব, যথেষ্ট হৈছে। " মই তেখেতৰ মুখমণ্ডলৰ ফালে চালোঁ , দেখিলোঁ তেখেতৰ দুচকুৰে অশ্ৰু নিগৰি আছে।

[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম })]

এবাৰ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আব্দুল্লাহ ইবনে মাছঊদক ক 'লে যে, মোক কোৰআনৰ পৰা কিছু পাঠ কৰি শুনোৱা। তেওঁ ক 'লেঃ হে আল্লাহৰ ৰাছুল ! মই কি সাহসেৰে আপোনাক কোৰআন পাঠ কৰি শুনাম ? অথচ আপোনাৰ ওপৰতে কোৰআন অৱতীৰ্ণ হৈছে। তেতিয়া তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে ক 'লেঃ মই বেলেগৰ পৰা শুনিব বিচাৰোঁ। তেতিয়া তেওঁ ছুৰা নিছা তিলাৱত কৰিবলৈ আৰম্ভ কৰিলে। যেতিয়া তেওঁ এই আয়াতত আহি পালেঃ {فَكَيْفَ إِذَا جِئْنَا مِنْ كُلِّ أُمَّةٍ بِشَهِيدٍ، وَجِئْنَا بِكَ عَلَى هَؤُلَاءِ شَهِيدًا} [النساء: 41] অৰ্থঃ এতেকে যেতিয়া আমি প্ৰত্যেক উম্মতৰ পৰা একোজনকৈ সাক্ষী (নবী) উপস্থিত কৰিম , আৰু (হে নবী) আপোনাকো সিহঁতৰ বিৰুদ্ধে সাক্ষীৰূপে উপস্থিত কৰিম , তেতিয়া সিহঁতৰ কি অৱস্থা হ ’ব? অৰ্থাৎ হে নবী ! আপোনাক যেতিয়া আপোনাৰ উম্মতৰ বিৰুদ্ধে সাক্ষী হিচাপে উপস্থিত কৰা হ 'ব যে , আপুনি আপোনাৰ দায়িত্ব পালন কৰিছিল আৰু আপোনাৰ প্ৰতিপালকৰ তৰফৰ পৰা দিয়া বাৰ্তা পৌঁচাই দিছিল , তেতিয়া সিহঁতৰ অৱস্থা কি হ 'ব? এই আয়াতত আহি পোৱাৰ লগে লগে তেখেতে ইবনে মাছঊদক ক'লেঃ হ'ব, আৰু পঢ়িব নালাগে। ইবনে মাছঊদে কৈছেঃ মই সেই সময়ত তেখেতৰ মুখমণ্ডলৰ ফালে দেখিলোঁ যে , তেখেতে দুয়ো চকুৰে অশ্ৰু নিগৰি আছিল , সেই ভয়াৱহ দৃশ্যৰ ভয়ত আৰু উম্মতৰ প্ৰতি থকা তেখেতৰ দয়াৰ কাৰণে।

http://www.sunnah.global/hadeeth/as/show/3571